**NSD NEWS BULLETIN**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-09-2026
**Time :** 1340 Hrs.

***Assamese MIDDAY Bulletin***
**:::::::::::::::::::::::::::::::**

১। গুণগত শিক্ষাৰ জৰিয়তেহে বিকশিত ভাৰত সম্ভৱ হ'ব বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শিক্ষক দিৱস উপলক্ষে দিয়া ভাষণত প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শিক্ষকসকলক পাঠ্যপুথিৰ আৰৱতৰ বাহিৰলৈ গৈ শিক্ষাৰ্থীৰ জীৱন গঢ় দিয়াৰ লগতে শৈশৱক সুৰক্ষিত কৰি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ আহ্বান জনাইছে।

৩। নেপালৰ বানবিধবস্ত ত্ৰিশূলী বাজাৰ এলেকাৰ পৰা এটি ৫ বছৰীয়া শিশুসহ আৰু ৩ জন ভাৰতীয়ক উদ্ধাৰ কৰা হৈছে।

৪। কেন্দ্ৰীয় মন্ত্ৰী ভূপেন্দৰ যাদৱে ভৱিষ্যতৰ পৰিৱেশ তন্ত্ৰ সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত শগুণৰ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। ***আৰু***

৫। সাত্বিকছাইৰাজ ৰণকীৰেড্ডি আৰু চিৰাগ ছেট্টীয়ে চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবল্‌ছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

গুণগত শিক্ষাৰ জৰিয়তেহে বিকশিত ভাৰত সম্ভৱ হ'ব বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। নতুন দিল্লীত ৰাষ্ট্ৰীয় শিক্ষক বঁটা প্ৰদান অনুষ্ঠানত ভাষণ দি শ্ৰীমতী মুৰ্মুৱে কয়, যে শিক্ষকক সন্মান কৰা সমাজহে প্ৰকৃতাৰ্থত প্ৰগতিশীল সমাজ।

বাইট

উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় শিক্ষক বঁটাসমূহ প্ৰদান কৰে। ২৭ খন ৰাজ্য ৭ টা কেন্দ্ৰীয় শাসিত অঞ্চল আৰু কেন্দ্ৰীয় চৰকাৰৰ ছটা সংস্থাৰ ৪৮ গৰাকী বিদ্যালয়ৰ শিক্ষকক বঁটা প্ৰদান কৰা হয়। শ্ৰীমতী মুৰ্মুৱে লগতে উচ্চ শিক্ষা প্ৰতিষ্ঠান আৰু পলি টেকনিকৰ ২১ গৰাকী শিক্ষক আৰু অধ্যাপকক ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে। তদুপৰি কেন্দ্ৰীয় উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ ১২ গৰাকী শিক্ষক আৰু অধ্যাপকক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত বঁটা লাভ কৰাসকলৰ উল্লেখনীয় কৰ্মৰাজিক লৈ নিৰ্মাণ কৰা একোখনকৈ চুটী তথ্য চিত্ৰ প্ৰদৰ্শন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মৱে আজি ৰাষ্ট্ৰপতি ভৱনত ভাৰতৰত্ন সন্মানেৰে সন্মানিত ডঃ সৰ্বেপল্লি ৰাধাকৃষ্ণণৰ জয়ন্তীত শ্ৰদ্ধা নিবেদন কৰে। ডঃ ৰাধাকৃষ্ণণে ১৯৫২-ৰ পৰা ১৯৬২ চনলৈ উপ-ৰাষ্ট্ৰপতি হিচাপে আৰু ১৯৬২ ৰ পৰা ১৯৬৭ চনলৈ দেশৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শিক্ষকসকলক পাঠ্যপুথিৰ আৱৰ্তৰ বাহিৰলৈ গৈ শিক্ষাৰ্থীসকলৰ জীৱন গঢ় দিয়াৰ লগতে শৈশৱক সুৰক্ষিত কৰি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ আহ্বান জনাইছে। নতুন

দিল্লীত কালি ৰাষ্ট্ৰীয় শিক্ষক পুৰস্কাৰেৰে সন্মানিত শিক্ষকসকলৰ সৈতে মত বিনিময় কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে মন্তব্য কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শিক্ষকসকলৰ সৈতে মত বিনিময়ৰ কিছু অংশ শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে শিক্ষকসকলে প্ৰতিগৰাকী শিক্ষাৰ্থীৰ মাজত থকা শিশুটিক জীয়াই ৰখাটো নিশ্চিত কৰিব আৰু ইয়াৰ বাবে তেওঁলোকে নিজৰ মাজৰ শিশুটিকো জীয়াই ৰাখিব লাগে। শিশুসকলৰ মাজত প্ৰকৃত পৰিৱৰ্তন অনাৰ বাবে শিক্ষকসকলে নিজকে পাঠ্যপুথিৰ মাজত সীমাৱদ্ধ ৰখাৰ পৰিৱৰ্তে শিশুসকলৰ জীৱনৰ এটা অংশ হৈ পৰা উচিত বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে।

বাইট

প্ৰধানমন্ত্ৰী মোদীয়ে গুৰুত্বপূৰ্ণ স্বাস্থ্য আৰু সামাজিক বিষয়ত আলোকপাত কৰি শিশুসকলৰ মাজত অত্যধিক ম'বাইল বা টেলিভিছন চোৱাৰ সময়ক লৈ উদ্বেগ প্ৰকাশ কৰে। তেওঁ এই স্ক্ৰীণ আসক্তি দূৰ কৰাৰ বাবে শিশুসকলক ক্ৰীড়া, বাহিৰত খেলা-ধূলা কৰা আৰু সৃষ্টিশীল কামত নিয়োজিত কৰাৰ পৰামৰ্শ আগবঢ়ায়। শ্ৰী মোদীয়ে স্তনৰ কৰ্কট ৰোগৰ সজাগতাৰ বিষয়ে উল্লেখ কৰি কয়, যে মহিলাসকলে স্বাস্থ্য পৰীক্ষাৰ বাবে স্বেচ্ছাই ওলাই অহাটোৱে এইক্ষেত্ৰত বৰ্ধিত সজাগতাকেই প্ৰতিফলিত কৰিছে। তেওঁ ক্ৰমশঃ বৃদ্ধি পোৱা নিচাযুক্ত দ্ৰব্যৰ ভয়াৱহতাৰ বিষয়ে উল্লেখ কৰি কয়, যে এইক্ষেত্ৰত নিৰন্তৰ সজাগতা সৃষ্টি কৰা উচিত। প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰসংগ উল্লেখ কৰি শিশুসকলক শ্ৰেণী কোঠাৰ বাহিৰলৈ লৈ যোৱা আৰু তেওঁলোকক প্ৰকৃত কাম তথা দক্ষতাৰ সৈতে পৰিচয় কৰাই দিয়াৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

বাইট

উল্লেখযোগ্য যে চলিত বৰ্ষত ৮২ গৰাকী শিক্ষক আৰু শিক্ষাবিদক ৰাষ্ট্ৰীয় শিক্ষক বঁটাৰ বাবে বাছনি কৰা হৈছে। ইয়াৰ ভিতৰত বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগৰ ৪৮ গৰাকী, উচ্চ শিক্ষা প্ৰতিষ্ঠান আৰু পলিটেকনিকৰ ২১ গৰাকী শিক্ষক আৰু অধ্যাপক তথা দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ৰ ১৩ গৰাকী দক্ষ প্ৰশিক্ষক আছে। অনুষ্ঠানত সন্মানিত শিক্ষকসকলে তেওঁলোকৰ শৈক্ষিক যাত্ৰাক প্ৰভাৱিত কৰা অভিজ্ঞতা আৰু উদ্ভাৱনসমূহৰ বিষয়ে প্ৰকাশ কৰে।

০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু কেন্দ্ৰীয় শিক্ষামন্ত্ৰী প্ৰহ্লাদ যোশীয়ে শিক্ষক দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিয়ে দেশৰ ভৱিষ্যত নিৰ্মাণৰ ক্ষেত্ৰত নিঃস্বাৰ্থ সেৱা আগবঢ়োৱা শিক্ষক-শিক্ষয়িত্ৰীসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ লগতে বিশিষ্ট দাৰ্শনিক, পণ্ডিত, শিক্ষক, প্ৰাক্তন ৰাষ্ট্ৰপতি তথা দেশৰ প্ৰথমগৰাকী উপ-ৰাষ্ট্ৰপতি, ভাৰতৰত্ন সন্মানেৰে সন্মানিত ডঃ সৰ্বেপল্লি ৰাধাকৃষ্ণণৰ প্ৰতি সন্মান জনায়। শিক্ষকসকলক দেশৰ ভৱিষ্যত নিৰ্মাণৰ স্থপতি  বুলি উল্লেখ কৰি চি পি ৰাধাকৃষ্ণণে কয়, যে জ্ঞান আৰু মূল্যবোধৰ শিক্ষা প্ৰদানেৰে শিক্ষকে বিকশিত ভাৰতৰ ভেঁটি গঢ়ি তুলিছে। তেওঁ লগতে এই মহান অভিযানত সকলো শিক্ষকৰ নিৰন্তৰ সফলতা কামনা কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও শিক্ষক দিৱসৰ শুভেচ্ছা জনাইছে। শ্ৰী শ্বাহে ডঃ সৰ্বেপল্লি ৰাধাকৃষ্ণণৰ জয়ন্তীত শ্ৰদ্ধা জনাই কয়, যে দাৰ্শনিক-পণ্ডিতগৰাকীৰ আদৰ্শই জ্ঞানেৰে সমৃদ্ধ দেশ নিৰ্মাণৰ যাত্ৰাত সকলোকে অনুপ্ৰাণিত কৰি আহিছে।

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয়, যে শিক্ষকসকলে জ্ঞান, দক্ষতা আৰু বিশ্বাসেৰে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত গঢ়ে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা ভিডিঅ' বাৰ্তাত শ্ৰী যোশীয়ে মহান দাৰ্শনিকগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। তেঁও কয়, যে ৰাধাকৃষ্ণণ এগৰাকী দূৰদৰ্শী শিক্ষক আছিল, যাৰ শিক্ষকতাৰ প্ৰতি থকা অৱদান আৰু সমৰ্পণে আজিও সকলো লোকক অনুপ্ৰেৰণা যোগাই আহিছে। শিক্ষক দিৱসৰ এই পৱিত্ৰ ক্ষণে প্ৰতিদিনে শিক্ষাৰ্থীসকলৰ মাজত মনোযোগ, দক্ষতা আৰু আত্মবিশ্বাস গঢ়াৰ বাবে কাম কৰি থকা শিক্ষকসকলৰ প্ৰতি সন্মান জনোৱাৰ সুযোগ দিয়ে বুলি শ্ৰী যোশীয়ে উল্লেখ কৰে। চলিত বৰ্ষত উদ্ভাৱন, প্ৰযুক্তি, সৰ্বাংগীন শিক্ষা, ক্ৰীড়া, কলা আৰু দক্ষতাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সুযোগ সৃষ্টি কৰাত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়োৱা ৮২ গৰাকী শিক্ষকক ৰাষ্ট্ৰীয় শিক্ষক বঁটা আগবঢ়োৱাৰ কথাও প্ৰকাশ কৰে।

বাইট

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ উজ্জ্বল ভৱিষ্যতৰ ভেটি উচ্চ শিক্ষা আৰু সমৰ্পিত শিক্ষকৰ ওপৰত বৰ্তি আছে। তেওঁ জ্ঞান বিলোৱাৰ উপৰি পৰৱৰ্তী প্ৰজন্মৰ সবলীকৰণ আৰু বিকশিত ভাৰতৰ ভেটি শক্তিশালী কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰা সকলো শিক্ষকৰ প্ৰতি কৃতজ্ঞতা ব্যক্ত কৰে।

০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে পদ্মশ্ৰী সন্মানেৰে বিভূষিত ইন্দিৰা মিৰিৰ জন্ম বাৰ্ষিকী উপলক্ষে আজি শিক্ষাবিদগৰাকীৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে শিক্ষক দিৱস উপলক্ষে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে ইন্দিৰা মিৰিয়ে উত্তৰ পূৰ্বাঞ্চলত শিক্ষাৰ প্ৰসাৰৰ অগ্ৰণি ভূমিকা পালন কৰিছিল। তেওঁ কয় যে মহিলা আৰু সমাজৰ উপান্ত শ্ৰেণীসমূহৰ মাজত শিক্ষাৰ পোহৰ বিলোৱাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে তেওঁক সদায় স্মৰণ কৰা হ'ব। শিক্ষাক সামাজিক পৰিৱৰ্তনৰ মাধ্যম হিচাপে প্ৰতিষ্ঠা কৰি শিক্ষাবিদগৰাকীয়ে দেখুওৱা আদৰ্শ আৰু নিষ্ঠাই নতুন প্ৰজন্মক সদায় অনুপ্ৰাণিত কৰি যাব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০

নেপালৰ বান বিধবস্ত ত্ৰিশূলী বাজাৰ এলেকাৰ পৰা এটি ৫ বছৰীয়া শিশুসহ আৰু ৩ জন ভাৰতীয়ক উদ্ধাৰ কৰা হৈছে। ইয়াকে লৈ চুবুৰীয়া ৰাষ্ট্ৰখনৰ বান প্ৰভাৱিত এলেকাৰ পৰা উদ্ধাৰ কৰা ভাৰতীয় নাগৰিকৰ সংখ্যা ১৬৯ হৈছে। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে এতিয়াও ২৭৫ গৰাকী ভাৰতীয় সন্ধানহীন হৈ আছে। তেওঁ কয় যে এহেজাৰ ৯০৭ গৰাকী ভাৰতীয়ই চীনৰ পৰা নিৰাপদে নেপালত উপস্থিত হৈছে। তেওঁ কয় যে কাঠমাণ্ডুস্থিত ভাৰতীয় দূতাবাসে ভাৰতীয় নাগৰিকসকলক বিমানেৰে স্বদেশলৈ ঘুৰি অহাত সহায় কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰগৰাকীয়ে কয় যে তীববতীয় স্বায়ত্ত শাসিত অঞ্চলত কোনো ভাৰতীয় যাত্ৰী আৱদ্ধ হৈ নাই। শ্ৰীজয়চোৱালে কয় যে যোৱা ২৬ আগষ্টত অহা প্ৰলয়ংকাৰী বানৰ পাছৰে পৰা ভাৰতে নেপাললৈ প্ৰায় ৯৫ টন সাহায্য সামগ্ৰী যোগান ধৰিছে। নেপাল চৰকাৰৰ আৱশ্যকতা অনুযায়ী ভাৰতে সাহায্য প্ৰদান অব্যাহত ৰাখিব বুলি মুখপাত্ৰগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে অনাগত সময়ত ভাৰতে নেপাল চৰকাৰৰ অনুৰোধ অনুযায়ী ফৰেনচিক কীট, বেইলীব্ৰীজ আৰু অন্য সামগ্ৰী প্ৰেৰণৰ পৰিকল্পনা কৰিছে। ইপিনে, নেপালৰ বানত নিহত লোকৰ সংখ্যা এহেজাৰ ৩৪৪ লৈ বৃদ্ধি পাইছে।

০০০০

কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দৰ যাদৱে ভৱিষ্যতৰ পৰিৱেশ তন্ত্ৰ সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত শগুণৰ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত আজি আন্তঃৰাষ্ট্ৰীয় শগুণ সজাগতা দিৱস উপলক্ষে মন্ত্ৰী শ্ৰী যাদৱে কয়, যে শগুণ হ'ল প্ৰকৃতিৰ জামাদাৰ, যিয়ে চৌপাশৰ লেতেৰা আৱৰ্জনা পৰিষ্কাৰ কৰি বেমাৰৰ বিজাণু বিয়পোৱাত বাধা দিয়াৰ লগতে সমগ্ৰ পৰিৱেশ তন্ত্ৰৰ ভাৰসাম্য ৰক্ষা কৰে। তেওঁ কয়, যে চৰকাৰে এই চৰাইসমূহ পুনৰ আকাশত মুক্ত মনে উৰিব পৰাৰ পৰিৱেশ সৃষ্টি কৰাৰ বাবে শগুণ সংৰক্ষণত গুৰুত্ব আৰোপ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে জনসাধাৰণক শগুণৰ সুৰক্ষা ইয়াৰ আশ্ৰয়স্থলীৰ পুনৰ উদ্ধাৰ আৰু পৰিৱেশ তন্ত্ৰৰ ভাৰসাম্য ৰক্ষাৰ বাবে আহ্বান জনাইছে।

০০০০

ভাৰতীয় যুটি সাত্বিকছাইৰাজ ৰণকীৰেড্ডি আৰু চিৰাগ ছেট্টীয়ে ছেনজেনত অনুষ্ঠিত চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবল্‌ছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ছেমি ফাইনেলত ভাৰতীয় যুটিটো মালয়েছিয়াৰ নুৰ মহম্মদ আজৰিয়ান আয়ুব আৰু টেন ৱি কিয়ঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় যুটিটোৱে কালি কোৱাৰ্টাৰ ফাইনেলত ডেনমাৰ্কৰ কিম আষ্ট্ৰুপ আৰু এণ্ডাৰ্ছ স্কাৰূপ ৰাছমোচেনক ২১-১৩, ১৬-২১-২১-১৮ গেমত পৰাস্ত কৰে। ইপিনে, পুৰুষৰ ছিংগল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত কালি কিদাম্বি শ্ৰীকান্ত হংকঙৰ লি চিউক ইউৰ হাতত পৰাস্ত হোৱাত ভাৰতৰ ছিংগল্‌ছৰ অভিযান ইমানতে সামৰণি পৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ